# আমন্ত্ৰণমূলক মহিলা টি-টুৱেন্টি ক্ৰিকেট প্ৰতিযোগিতা ২০২৬

**নগাঁও, ২৯ এপ্ৰিল :** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত আৰু অসম ক্ৰিকেট সন্থাৰ সহযোগত নুৰুল আমিন ষ্টেডিয়ামত আজি সামৰণি পৰা দ্বিতীয় আমন্ত্ৰণমূলক “টি-টুৱেন্টি” প্ৰাইজমানি মহিলা ক্ৰিকেট প্ৰতিযোগিতাত নগাঁও দলে চেম্পিয়নৰ খিতাপ অৰ্জন কৰাৰ বিপৰীতে হোজাই দলে ৰাণাৰ আপ সন্মান লাভ কৰিছে ।

তিনিদিনীয়াকৈ ৰাউণ্ড ৰবীন লীগ পদ্ধতিত আয়োজিত চাৰিদলীয় এই প্ৰতিযোগিতাত নগাঁৱে মৰিগাঁও দলক ন উইকেটত, গোৱালপাৰাক ২২ ৰাণত আৰু আজি বৰ্ষাবিঘ্নিত অন্তিমখন খেলত হোজাইক ২৮ ৰাণত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে। ঘৰুৱা নগাঁও মহিলা ক্ৰিকেট দলটোৱে নিজৰ তিনিওখন খেলতে বিজয়ী হৈ লীগৰ পইণ্ট তালিকাৰ শীৰ্ষত অৱস্থান কৰাৰ বিপৰীতে হোজাই দলে গোৱালপাৰক সাত উইকেটত আৰু মৰিগাঁৱক আঠ উইকেটত হৰুৱাই দ্বিতীয়স্থান লাভ কৰে।

আজি প্ৰতিকূল বতৰৰ বাবে ৮ অভাৰলৈ হ্ৰাস কৰা অন্তিমখন খেলত নগাঁও দলে পোনতে বেট ধৰি চয়নিকা শইকীয়াৰ-১৭ আৰু অধিনায়িকা সংগীতা শইকীয়াৰ অপৰাজিত-১৬ ৰাণৰ উল্লেখ্যনীয় অৱদানৰে ৮ অভাৰত তিনিটা উইকেটৰ বিনিময়ত ৫৬ ৰাণ সংগ্ৰহ কৰে । বলিঙত হোজাইৰ হৈ অধিনায়িকা ৰাণী মালাকাৰে দুটা আৰু আয়না শৰ্মাই এটা উইকেট পায়।

প্ৰত্যুত্তৰত হোজাই দলটোৱে ৮ অভাৰত পাঁচটা উইকেট হেৰুৱাই ২৮ ৰাণহে কৰিবলৈ সক্ষম হয়। বলিঙত নগাঁৱৰহৈ সংগীতা শইকীয়া আৰু দীপশিখা বৰদলৈয়ে দুটাকৈ উইকেট দখল কৰে। ভাস্কৰ হাজৰিকা আৰু ইয়াচিনুল হক আম্পায়াৰৰূপে থকা খেলখনত নগাঁৱৰ সংগীতা শইকীয়া প্লেয়াৰ অব দ্যা মেচৰূপে পৰিগণিত হয়।

আজিৰ গোৱালপাৰা বনাম মৰিগাঁও দলৰ মাজৰ খেলখন বৰষুণৰ বাবে পৰিত্যক্ত হয়।

এই প্ৰতিযোগিতাৰ অন্তত নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাসে আঁত ধৰা সামৰণি অনুষ্ঠানত অসম ক্ৰিকেট সন্থাৰ উপসভাপতি ৰমেন দত্ত, নগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত গোপাল শৰ্মা, প্ৰাক্তন ৰাজ্যিক ক্ৰিকেট খেলুৱৈ তথা বিশিষ্ট সমাজসেৱিকা নৱনীতা শৰ্মা, নগাঁও ক্ৰীড়া সংস্থাৰ কোষাধ্যক্ষ অসীম কুমাৰ ভাৱাল, যুটীয়া সম্পাদক উজ্জল বৰুৱা, প্ৰাক্তন খেলুৱৈ ৰীতা বৈদ্য কাকতি আদিৰ উপস্থিতিত বিভিন্ন বঁটাসমূহ বিতৰণ কৰা হয়।

হোজাই দলৰ দীশা নাথ সৰকাৰে প্লেয়াৰ অব দ্যা টুৰ্ণামেণ্টৰ পুৰস্কাৰ পায় । উল্লেখ্য যে, আজিৰ খেলৰ প্লেয়াৰ অব দ্যা মেচ তথা প্লেয়াৰ অব দ্যা টুৰ্ণামেণ্টৰ নগদ ধনৰ পুৰস্কাৰ নগাঁৱৰ “চক্ দে ফাউণ্ডেচন” ৰ অধ্যক্ষ সুৰজিৎ সিং চেঠীয়ে আগবঢ়াইছে ।

## Invitational Women's T20 Cricket Tournament 2026

**Nagaon, April 29 :** The 2nd Invitational T20 Prize Money Women's Cricket Tournament, organised by the Nowgong Sports Association in association with the Assam Cricket Association, concluded today at Nurul Amin Stadium with the Nagaon team emerging as champions, while Hojai finished as runners-up.

In the three-day four-team tournament, organised in a round-robin league format, Nagaon secured full points by defeating Morigaon by nine wickets, Goalpara by 22 runs and Hojai by 28 runs in today's rain-curtailed final league match. The home side won all three of their matches to finish at the top of the points table, while Hojai secured second place with victories over Goalpara by seven wickets and Morigaon by eight wickets.

In today's final match, reduced to eight overs due to adverse weather conditions, Nagaon batted first and scored 56 runs for the loss of three wickets in eight overs. Chayanika Saikia scored 17 runs, while captain Sangeeta Saikia remained unbeaten on 16. For Hojai, captain Rani Malakar claimed two wickets and Ayna Sharma took one wicket.

In reply, Hojai could manage only 28 runs for the loss of five wickets in eight overs. For Nagaon, Sangeeta Saikia and Dipshikha Bordoloi picked up two wickets each. Officiated by umpires Bhaskar Hazarika and Yasinul Haque, the match saw Sangeeta Saikia being adjudged Player of the Match.

The match between Goalpara and Morigaon scheduled for today was abandoned due to rain.

At the closing ceremony conducted by General Secretary of the Nowgong Sports Association, Tapan Kumar Das, prizes were distributed in the presence of ACA Vice-President Romen Dutta, Additional Commissioner of Nagaon district Gopal Sharma, former state cricketer and noted social worker Navanita Sharma, Treasurer of the association Asim Kumar Bhawal, Joint Secretary Ujjal Baruah and former player Rita Baidya Kakoti among others.

Disha Nath Sarkar of Hojai was awarded the Player of the Tournament title. It may be mentioned that the cash prizes for today's Player of the Match and Player of the Tournament awards were sponsored by "Chak De Foundation" president Surajit Singh Sethi.